## ৮.৪ বাণীকান্ত কাকতিৰ প্ৰবন্ধ সাহিত্য

বেজবৰুৱাৰ পিছতেই অসমীয় প্ৰবন্ধ সাহিত্যক এক বিশেষ মাত্ৰা দান কৰাৰ ক্ষেত্ৰত আমি বাণীকান্ত কাকতিৰ (১৮৯৪-১৯৫২) নাম ল'ব পাৰোঁ। বিশেষকৈ সাহিত্য সমালোচনামূলক প্ৰবন্ধ ৰচনাৰ ক্ষেত্ৰত কাকতি বাটকটীয়াস্বৰূপ। অসমীয়া সাহিত্যত সাহিত্য বিচাৰৰ এক শক্তিশালী ভেটি তেওঁ গঢ় দি তুলিছে।

আধুনিক অসমীয়া সাহিত্য ঘাইকৈ আলোচনীকেন্দ্ৰিক। বাণীকান্ত কাকতিৰ ৰচনাবোৰো গ্ৰন্থৰ আকাৰ লোৱাৰ আগতে বিভিন্ন আলোচনীৰ পাতত প্ৰকাশ পাইছিল। অম্বিকাগিৰী ৰায়চৌধুৰী সম্পাদিত 'চেতনা' কাকতত 'পুৰণি অসমীয়া সাহিত্য'ৰ চিৰিজত এঘাৰটা প্ৰবন্ধ প্ৰকাশ হৈছিল। এই প্ৰবন্ধলানিৰ লগত আৰু তিনিটা প্ৰবন্ধ যোগ দি ১৯৪০ চনত 'পুৰণি অসমীয়া সাহিত্য' গ্ৰন্থ প্ৰকাশ কৰা হয়। পাতনিকে ধৰি ইয়াত মুঠ চৈধ্যটা প্ৰবন্ধ আছে। এইবোৰ হ'ল ঃ শংকৰদেৱৰ আধ্যাত্মিক দান, কুমৰ হৰণ, বধ-কাব্য, হেমা সুন্দৰী, পৰকীয়া ভাব, শ্ৰীৰাধা চৰিত্ৰ, চিৰশিশু ৰূপ, কাণখোৱা, চোৰধৰা, বৰগীত, নামঘোষা, লৌকিক গীত, পুৰণি সাহিত্যৰ সীমাবদ্ধতা, অঙ্কীয়া ভাওনা। পুৰণি অসমীয়া সাহিত্যক অকল ধৰ্মপুথি বুলিহে মৰ্যাদা দিয়া হৈছিল। কাকতিয়ে আধুনিক সমালোচকৰ দৃষ্টিৰে এইবোৰৰ সাহিত্যিক আৰু কাব্যিক সৌন্দৰ্য নিৰূপণ কৰে।

আৱাহন, জয়ন্তী আদি কাকতত প্ৰকাশিত মুঠ ছয়টা প্ৰবন্ধৰ সংকলন 'সাহিত্য আৰু প্ৰেম' নামৰ পুথিখন প্ৰকাশ হয় ১৯৪৮ চনত। ইয়াত প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যৰ কেইটামান প্ৰণয় কাহিনী চয়ন কৰি ইয়াৰ জৰিয়তে মানৱীয় প্ৰেম অনুভূতিৰ স্বৰূপ বিশ্লেষণ কৰা হৈছে। গ্ৰন্থখনিত সন্নিৱিষ্ট প্ৰবন্ধবোৰ হ'ল ঃ নিশাদূত, ভাৱৰীয়াৰ ভেশত প্ৰেমিক, নাৰী হৃদয়, সৌন্দৰ্যৰ প্ৰতাৰণা, কবিৰ অহৈতুকী প্ৰীতি আৰু পণ্ডিতৰ ভূমাস্পৃহা। মানুহৰ ওপৰত প্ৰেমৰ প্ৰভাৱ সমধৰ্মী নহয়। কাৰোবাৰ বাবে প্ৰেমৰ স্বৰূপ খন্তেকীয়া মোহৰ ধৰফৰণি আৰু কাৰোবাৰ বাবে প্ৰেম প্ৰেৰণা শক্তি। কাকতিয়ে এই দুই ধৰণৰ প্ৰতিক্ৰিয়াক উপলক্ষ্য কৰি প্ৰবন্ধবোৰ লিখিছে। এই লানি প্ৰবন্ধৰ জৰিয়তে মানৱীয় প্ৰেম অনুভূতিৰ সাহিত্যিক অভিব্যক্তি প্ৰকাশৰ মুকলি মনোভাৱ সম্ভৱ কৰি তুলিলে।

কাকতিয়ে তেওঁৰ সমসাময়িক, অগ্ৰজ প্ৰতিম আৰু অনুজপ্ৰতিম কেইগৰাকীমান অসমীয়া সাহিত্যিকৰ সাহিত্যকৰ্মৰ বিষয়ে সমালোচনামূলক প্ৰবন্ধ লিখিছে আৰু কেইগৰাকীমান লেখকৰ গ্ৰন্থৰ মনোজ্ঞ পাতনিও লিখিছে। আধুনিক অসমীয়া সাহিত্যত অম্বিকাগিৰী ৰায়চৌধুৰী, যতীন্দ্ৰনাথ দুৱৰা, ৰঘুনাথ চৌধুৰী আদি কবি-সাহিত্যিকৰ সাহিত্য কৃতিৰ বিষয়ে আলোচনা আৰু অসমীয়া সাহিত্য জগতত তেওঁলোকৰ স্থান সম্পৰ্কে আলোচনা কৰিছে। সেইদৰে ধৰ্মেশ্বৰী দেৱীৰ 'ফুলৰ শৰাই', নীলমণি ফুকনৰ 'গুটিমালী' সম্পৰ্কেও আলোচনা কৰিছে। নাটকৰ সমালোচনাৰ ক্ষেত্ৰত সেই সময়ৰ তৰুণ লেখক জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' নাটকৰ নিৰ্মোহ আলোচনা আগবঢ়াইছে। অৱশ্যে, আধুনিক অসমীয়া সাহিত্য সম্পৰ্কে কাকতিৰ কোনো সুকীয়া গ্ৰন্থ প্ৰকাশ হোৱা নাই। বিভিন্ন আলোচনী, পত্ৰিকাত সিঁচৰিত হৈ থকা তথা গ্ৰন্থৰ পাতনি ৰূপে প্ৰকাশিত আধুনিক অসমীয়া সাহিত্য সম্পৰ্কীয় প্ৰবন্ধক একেলগ কৰি মহেশ্বৰ নেওগ সম্পাদিত 'বাণীকান্ত ৰচনাৱলী'ত 'নতুন অসমীয়া সাহিত্য' হিচাপে এক সুকীয়া বিভাগত স্থান দিয়া হৈছে।

ইয়াৰ উপৰিও 'সাহিত্যত কৰুণ ৰস', 'নীৰৱ সাধনা', 'যুগ সাহিত্য আৰু সমাজৰ ৰূপৰেখা' আদি প্ৰবন্ধতো কাকতিৰ মননশীলতাৰ পৰিচয় পোৱা যায়।

## ৮.৫ বাণীকান্ত কাকতিৰ প্ৰবন্ধৰ ভাব-বস্তু, ভাষা আদি

অসমীয়া সমালোচনা সাহিত্যৰ ইতিহাসত বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য' এক কীৰ্তিচিহ্নস্বৰূপ। পুৰণি অসমীয়া সাহিত্যই ঘাইকৈ বৈষ্ণৱ যুগটোক সামৰি লৈছে। গ্ৰন্থখনিৰ পাতনিত 'শংকৰদেৱৰ আধ্যাত্মিক দান' আৰু 'বৈষ্ণৱ কবিৰ লক্ষ্য আৰু সাধনা' — এই দুটা মূল ভাৱক আশ্ৰয় কৰি পুৰণি অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিছে। 'কুমৰ হৰণ' প্ৰবন্ধত চন্দ্ৰভাৰতী বা অনন্ত কন্দলিৰ দ্বাৰা ৰচিত 'কুমৰ হৰণ' কাব্যৰ ৰূপ বিচাৰ কৰিছে। সাহিত্য কিদৰে সামাজিক উদ্দেশ্যৰ লগত জড়িত হৈ থাকে তাকে ৰামসৰস্বতীৰ বধকাব্যসমূহৰ আলমত দেখুওৱা হৈছে। কাকতিয়ে বৈষ্ণৱ সাহিত্যক 'সৰ্বাংগীন সাহিত্য' আখ্যা দিছে। কাৰণ বৈষ্ণৱ সাহিত্যই আমাৰ সামাজিক জীৱনত মানসিক আৰু আধ্যাত্মিক এই দুই ধৰণৰ আনন্দ দিছে। ঘাইকৈ মনোৰঞ্জনৰ বাবে ৰচিত হ'লেও 'বধকাব্য'সমূহৰ মাজত এক সাম্যভাৱৰ আদৰ্শ যে লুকাই আছে কাকতিয়ে সেই দিশটোও নিৰ্ণয় কৰিছে। 'হেমাসুন্দৰী' ৰচনাত 'অশ্বকৰ্ণ বধ'ৰ হেমাসুন্দৰীৰ চৰিত্ৰৰ আলোচনা কৰিছে। হেমাসুন্দৰীৰ চৰিত্ৰক কাকতিয়ে ইংৰাজ কবি স্পেনাৰৰ আখ্যানৰ য়ুনা চৰিত্ৰৰ লগত সাদৃশ্য দেখুৱাইছে। 'পৰকীয়া ভাব' প্ৰবন্ধত অসমৰ বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যৰ লগত বংগদেশৰ বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যৰ তাত্বিক পাৰ্থক্য ঐতিহাসিক দৃষ্টিৰে বিচাৰ কৰিছে। 'শ্ৰীৰাধা চৰিত' ৰচনাত অসমীয়া বৈষ্ণৱ সাহিত্যত বংগদেশৰ বৈষ্ণৱ সাহিত্যৰ পৰকীয়া ভাবৰ অনুপস্থিতি আৰু ৰাধা চৰিতৰ বিভিন্নতা আলোচনা কৰা হৈছে। 'চিৰশিশু ৰূপ', 'কাণখোৱা', 'চোৰধৰা', এই ৰচনা কেইখন শ্ৰীকৃষ্ণৰ বাৎসল্য লীলা কীৰ্তনৰ প্ৰসঙ্গৰ ফালৰ পৰা একে পৰ্যায়ৰ। অসমীয়া সাহিত্যত মাধৱদেৱৰ বৰগীত, চোৰধৰা, শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' আদিত শ্ৰীকৃষ্ণৰ চিৰশিশুৰূপ অংকিত হৈছে। অসমীয়া কবিৰ কবিতাত পোৱা শ্ৰীকৃষ্ণৰ শিশুৰূপৰ চিত্ৰণৰ বিষয়ে কাকতিয়ে বিস্তৃত আলোচনা আগবঢ়াইছে। 'বৰগীত' প্ৰবন্ধত শংকৰদেৱ-মাধৱদেৱ বিৰচিত বৰগীতসমূহৰ আলোচনা আগবঢ়োৱা হৈছে। সমসাময়িক অন্য গীতি-সাহিত্যৰ পৰা বৰগীতৰ পাৰ্থক্য, ইয়াৰ বিশিষ্টতা তথা মূল্য নিৰূপণ কৰিছে। বৰগীতবোৰক কাকতিয়ে ইংৰাজ কবি হেৰিক (Herrick)ৰ আধ্যাত্মিক ভাবৰ গীত 'Noble Numbers'ৰ লগত তুলনা কৰিছে। উল্লেখযোগ্য যে কাকতিয়ে স্থান বিশেষে বিশ্বৰ বিভিন্ন সাহিত্যৰ লগত অসমীয়া সাহিত্যৰ তুলনা কৰিছে। অৱশ্যে, তুলনামূলক সমালোচনা পদ্ধতিয়ে সেই সময়ত পূৰ্ণতা লাভ কৰা নাছিল। কাকতিয়ে 'নামঘোষা' প্ৰবন্ধত মহাপুৰুষ মাধৱদেৱ বিৰচিত ঘোষাগ্ৰন্থ 'নামঘোষা'ৰ স্বৰূপ উদঘাটন কৰিছে। 'মহানুভৱ পুৰুষ এজনাৰ আত্মপ্ৰকাশ' বুলি অভিহিত কৰি ৰসময়ী ভক্তিত ত্ৰিবেণী ভাবৰ সংগম, মাধৱদেৱৰ আত্মাভিব্যক্তি তথা আধ্যাত্মিক জীৱনৰ প্ৰতিবিম্ব, ভক্তিৰ তন্ময়তা আৰু সৰ্বধৰ্মগ্ৰাহ্যৰূপ— এই সকলোবোৰ দিশৰ সূক্ষ্ম বিশ্লেষণ আগবঢ়াইছে। কাকতিৰ পৰৱৰ্তীকালৰ সমালোচকসকলৰ অধিকাংশই 'নামঘোষা' প্ৰবন্ধক শ্ৰেষ্ঠ আখ্যা দিছে। নিৰপেক্ষতা, ভাৰসাম্যবোধ, তুলনা, যুক্তিনিষ্ঠতা, সাৰ্থক নিৰূপণ আদি শ্ৰেষ্ঠ সমালোচনাৰ থাকিবলগীয়া আটাইবোৰ গুণেই 'নামঘোষা' প্ৰবন্ধত পৰিলক্ষিত হয়। 'লৌকিক গীত' শীৰ্ষক প্ৰবন্ধত শংকৰদেৱৰ সমসাময়িক অথচ বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱমুক্ত কবিসকলৰ কাব্যিক সুষমাৰ আলোচনা পোৱা যায়। 'পুৰণি সাহিত্যৰ সীমাবদ্ধতা' ৰচনাত অসমীয়া কবিসকলে সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰতিকূল সামাজিক পৰিবেশ সম্পৰ্কে বিচাৰ কৰা হৈছে। 'অঙ্কীয়া ভাওনা' নামৰ প্ৰবন্ধই অঙ্কীয়া নাটৰ পটভূমি, ভাওনাৰ প্ৰকৃত স্বৰূপ, ইয়াৰ বৈশিষ্ট্য, গঠন ৰীতি, গীত আৰু সংলাপৰ ভাষা, সূত্ৰধাৰৰ ৰূপ— এই সকলো বিষয়ৰে স্পষ্ট আৰু মৌলিক ধাৰণা দিয়ে। মুঠতে, 'পুৰণি অসমীয়া সাহিত্য' পুথিৰ প্ৰতিটো প্ৰবন্ধতে জাতীয় সাহিত্য হিচাপে পুৰণি অসমীয়া সাহিত্যৰ ঐতিহ্য, ঐশ্বৰ্য আৰু সৌন্দৰ্য কাকতিয়ে আৱিষ্কাৰ কৰিছে।

প্ৰাচ্য আৰু প্ৰতীচ্যৰ সাহিত্য সম্পদৰ চিৰন্তন প্ৰেম কাহিনীৰ বিশ্লেষণাত্মক আলোচনাই 'সাহিত্য আৰু প্ৰেম' গ্ৰন্থৰ প্ৰতিপাদ্য বিষয়। ইয়াত আলোচিত আখ্যানবোৰত প্ৰেমৰ দুই ধৰণৰ প্ৰতিক্ৰিয়াক উপলক্ষ্য কৰা হৈছে। গ্ৰন্থখনিৰ পাতনিতে লেখকে উল্লেখ কৰিছেঃ "প্ৰেমৰ পোৰণি শক্তিৰ প্ৰভাৱতো একে তেজ মঙহৰ শৰীৰৰ মানুহৰ মনত বেলেগ বেলেগ প্ৰতিক্ৰিয়া ঘটে। কেতবোৰৰ পক্ষে মনৰ চট্‌ফটনি আৰু কেতবোৰ দুৰ্লভ প্ৰকৃতিৰ মানুহৰ পক্ষে ই উদ্বোধনী প্ৰজ্ঞান বন্তি। ই তেজ-মঙহৰ খন্তেকীয়া ফৰফৰণি নাইকীয়া কৰি অপাৰ্থিৱ সৌন্দৰ্য আৰু আনন্দৰ প্ৰতি উদ্যম সঞ্চাৰ কৰে।" 'সাহিত্য আৰু প্ৰেম'ত সন্নিৱিষ্ট প্ৰবন্ধবোৰৰ ভিতৰত 'নিশাদৃত' আৰু 'ভাৱৰীয়াৰ ভেশত প্ৰেমিক' প্ৰবন্ধৰ প্ৰেম বিষয়ক কাহিনী ভাৰতীয় সাহিত্যৰ আৰু 'নাৰী হৃদয়', 'সৌন্দৰ্যৰ প্ৰতাৰণা', 'কবিৰ অহৈতুকী প্ৰীতি' আৰু 'পণ্ডিতৰ ভুমাস্পৃহা' প্ৰবন্ধৰ মূল বিষয় বিদেশী সমলৰ পৰা অনা। লেখকৰ মতে "এই আখ্যানবোৰত কেতবোৰ বিশ্ববিখ্যাত মনীষীৰ প্ৰেমৰ স্পৰ্শত প্ৰাণৰ প্ৰতিক্ৰিয়া দেখুওৱা হৈছে। বেদৰ ঋষিপুত্ৰৰ প্ৰেমৰ প্ৰেৰণাত ঋষিত্বলাভৰ প্ৰচেষ্টাৰ পৰা আমীয়েলৰ পৰিদৃশ্যমান বিশ্বৰ লগত একাত্মবোধৰ আকাঙ্খা সেই মিলন স্পৃহাৰেই বিভিন্ন প্ৰকাশ।" এই লানি প্ৰবন্ধৰ জৰিয়তে বিশ্বসাহিত্যৰো এক পৰিচয় পোৱা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

'পুৰণি অসমীয়া সাহিত্য'ৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ উল্লেখ কৰক। (৬০ টা শব্দৰ ভিতৰত)

..........................................................................................................

..........................................................................................................

..........................................................................................................

আধুনিক অসমীয়া সাহিত্যৰ বিষয়ে লিখা কাকতিৰ কেইটামান প্ৰবন্ধ হ'ল ঃ বেজবৰুৱা, কথা-কবিতা, দহিকতৰা, তুমি, কেতেকী, ফুলৰ শৰাই, অসমীয়া ৰামায়ণ সাহিত্য, মাতৃ, গুটিমালী, সোণালী সপোন, শোণিত কুঁৱৰী, জাতীয় চৈতন্য আদি। 'বেজবৰুৱা' প্ৰবন্ধত অসমীয়া জাতীয় জীৱনত বেজবৰুৱাৰ সৰ্বাত্মক প্ৰভাৱক স্বীকৃতি দিছে। তদুপৰি, যতীন্দ্ৰনাথ দুৱৰাৰ 'কথা-কবিতা', ৰঘুনাথ চৌধুৰীৰ 'দহিকতৰা', 'কেতেকী', অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'তুমি', ধৰ্মেশ্বৰী দেৱীৰ 'ফুলৰ শৰাই', নীলমণি ফুকনৰ 'গুটিমালী', লক্ষ্মীনাথ ফুকনৰ 'সোণালী সপোন' আদিৰ বিষয়ে আলোচনা আগবঢ়াইছে। এই প্ৰবন্ধবোৰত সাহিত্য-বস্তুৰ বিশ্লেষণ, সাহিত্যিকৰ পৰিচয়, ব্যক্তি আৰু লেখাবস্তুৰ সম্পৰ্ক, সাহিত্যৰ বুৰঞ্জীত স্থান আদিৰ বিচাৰেৰে এক সমীক্ষাত্মক আলোচনা দাঙি ধৰিছে। কাকতি আছিল বিশেষভাৱে ৰোমাণ্টিক কবিতাৰ উপাসক। ৰোমাণ্টিক কবিতাৰ আলোচনাত তেওঁৰ এই ৰুচি বিশেষভাবে পৰিলক্ষিত হয়। 'জাতীয় চৈতন্য', 'ভৱিষ্যত অসমীয়া সাহিত্য' আৰু 'আমাৰ নতুন সাহিত্য' এই প্ৰবন্ধ তিনিটা সমাজ ভাৱনা সম্পৃক্ত।

কাকতিৰ আন এটি উল্লেখযোগ্য প্ৰবন্ধ হ'ল 'সাহিত্যত করুণ ৰস।' এই ৰচনাখন 'অসম ছাত্ৰ সন্মিলন প্ৰবন্ধাৱলী' নামৰ সংকলনত প্ৰকাশ পাইছিল। এই প্ৰবন্ধত করুণ ৰস সাহিত্যত কি ভাবে ৰূপায়িত হয় তাক দেখুৱাবলৈ বাল্মীকি, কালিদাস, ভৱভূতি, ওমৰখায়াম, হোমাৰ, ডাণ্টে, শ্বেক্সপীয়েৰ, শ্যেলী, মেথিউ, আৰ্নল্ড আদি প্ৰাচ্য-পাশ্চাত্যৰ কেবাগৰাকীও

লেখকৰ লেখাৰ উদ্ধৃতি দিছে। তেওঁ করুণ ৰসকেই 'প্ৰকৃত জীৱন শ্বাস' আখ্যা দি ইয়াৰ অনুপ্ৰেৰণাতেই সকলো সুকুমাৰ কলাৰ উৎপত্তি হয় বুলি দেখুৱাইছে।

কাকতিৰ জীৱন দৰ্শন সম্পৃক্ত এটি উল্লেখযোগ্য প্ৰবন্ধ হ'ল 'নীৰৱ সাধনা'। গঠনমূলক কৰ্মসংস্কৃতিয়ে যে জাতীয় বিকাশৰ ভিত্তি এই দিশটো ইয়াত দেখুওৱা হৈছে। নতুন প্ৰজন্মক সুষ্ঠ পথ নিৰ্দেশ কৰাৰ এক সচেতন দৃষ্টিভংগী এই ৰচনাখনত পৰিলক্ষিত হয়।

কাকতিৰ প্ৰবন্ধৰ ভাষা বৈশিষ্ট্যপূৰ্ণ। তলত এনে বৈশিষ্ট্য কিছুমান উল্লেখ কৰা হ'লঃ

১) কাকতিৰ প্ৰবন্ধৰ ভাষা স্পষ্ট। প্ৰকাশভংগী সৰল আৰু সাৱলীল। মনোৰম বাকভংগীয়ে তেওঁৰ ৰচনাক উপাদেয় কৰি তুলিছে।

২) বক্তব্যৰ সুসংগঠন কাকতিৰ ৰচনাৰ এক প্ৰধান বিশেষত্ব। প্ৰতিটো প্ৰবন্ধৰে আৰম্ভণি, বিকাশ আৰু শেষ— এই তিনিটা স্তৰ সুনিয়ন্ত্ৰিত।

৩) কাকতিয়ে নিজে জতুৱা ঠাঁচ প্ৰয়োগৰ পোষকতা কৰিছে যদিও তেওঁৰ ৰচনাত জতুৱা ৰূপৰ প্ৰয়োগৰ আধিক্য পোৱা নাযায়। ইয়াৰ সলনি তেওঁ নিজৰ উপমা আৰু নিজে গঠন কৰা ভাষাৰূপ ব্যৱহাৰ কৰিছিল। ইয়াৰ দ্বাৰা তেওঁৰ ৰচনাৰীতিৰ জতুৱা ৰূপৰ অভাৱ পূৰণ হৈছিল আৰু ভাষা অধিক প্ৰকাশক্ষম হৈ পৰিছিল।

৪) সাধাৰণ শব্দৰ মধুৰ ব্যৱহাৰ কাকতিৰ ভাষাৰীতিৰ বিশেষত্ব। সেয়ে ফকৰা যোজনা ব্যৱহাৰ নকৰিলেও তেওঁৰ ভাষা মনোৰম আৰু আকৰ্ষণীয়।

৫) কাকতিৰ ভাষা এহাতে প্ৰাঞ্জল, আনহাতে যুক্তিনিষ্ঠ। ক'তো অতিৰঞ্জনৰ আভাস নাই। বক্তব্যৰ মাত্ৰাধিক্য নাই। কম কথাতে বেছি ভাব প্ৰকাশ কৰা অৰ্থাৎ ভাষা প্ৰয়োগত মিতব্যয়িতা কাকতিৰ ৰচনাৰ বিশেষ বৈশিষ্ট্য।

৬) এক কাব্যসুলভ প্ৰকাশভংগী পৰিলক্ষিত হয়। উপমাৰ সাৰ্থক ব্যৱহাৰে তেওঁৰ গদ্যক অনুপম কৰি তুলিছে। তেওঁৰ গদ্যত অনুভূত কাব্যিকতা তথা চিত্ৰময়তা সৃষ্টিশীল ভাষা ব্যৱহাৰৰ ফল।

৭) সংস্কৃত ভাষাৰ শব্দ প্ৰয়োগৰ আধিক্য পৰিলক্ষিত হয়। যাৰ বাবে তেওঁৰ গদ্য অধিক অৰ্থবহ আৰু নিটোল হৈ পৰিছে। বিষয়বস্তু অনুযায়ী সংস্কৃত বা কেতিয়াবা ইংৰাজী ভাষাৰ শব্দও গঢ়ি-পিতি গদ্যত স্থান দিছে। তৎসম শব্দ, সংস্কৃতৰ উপমা অলংকাৰ, খণ্ডবাক্য বা বাক্যাংশৰ অনুকৃতি ৰূপৰ প্ৰয়োগ তেওঁৰ ভাষাৰ এক লক্ষণীয় বিষয়।

৮) বিদেশী গ্ৰন্থ, শব্দ বা খণ্ডবাক্যৰ অসমীয়া ভাষান্তৰ ৰূপৰ সাৰ্থক ব্যৱহাৰ কাকতিৰ ৰচনাৰ আন এক বিশেষত্ব। এনে ৰূপৰ প্ৰয়োগৰ মাজেৰে সাহিত্যত ভাব প্ৰকাশৰ ক্ষেত্ৰত অসমীয়া ভাষা যে চহকী সেই কথাকে কাকতিয়ে প্ৰমাণ কৰি দেখুৱাইছে। দুৰ্ভাগ্যৰ সোঁৱৰণী (Historia Calamitatum), অন্তৰ্প্ৰাণৰ ডায়েৰী (Journal intime), ভূমাস্পৃহা (Longing for totality), নৱজীৱন (Vita Nuova), মগ্নচৈতন্য (Summerged consciousness) আদি এনেধৰণৰ ভাষান্তৰিত ৰূপ।

৯) দৈনন্দিন জীৱনত কথিত স্থানীয় ঘৰুৱা শব্দকো তেওঁ শিল্পীসুলভ কৌশলেৰে ভাষাত স্থান দিছে। অৱহেলিত অনেক শব্দকো ৰীতিবদ্ধ কৰি ব্যৱহাৰ কৰিছে।

১০) উপযুক্ত শব্দৰ ব্যৱহাৰ কাকতিৰ ভাষাৰীতিৰ আন এক বৈশিষ্ট্য। ভাবৰ যতি নপৰাকৈ তেওঁৰ ভাষাই গতি কৰিছে।